## নৱপ্ৰজন্মৰ সাহিত্যৰ আড্ডাত সভাপতি ড° কুল শইকীয়া

# অসমৰ সম্পদৰে নৱপ্ৰজন্মক চিনাকি কৰাৰ লক্ষ্যৰে অসম সাহিত্য সভাৰ অসম প্ৰজ্ঞা আঁচনি

ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ৫ জুলাইঃ অসম সাহিত্য সভাৰ উদ্যোগত আৰু নৱপ্ৰজন্মৰ প্ৰচেষ্টাত 'সৰ্বভাৰতীয় প্ৰেক্ষাপটত অসমীয়া সাহিত্য ঃ প্ৰতিযোগিতা আৰু সহযোগিতা' শীৰ্ষক এখন আলোচনা চক্ৰ ৪ জুলাইৰ সন্ধিয়া অনলাইনত অনুষ্ঠিত হয়। অসমৰ যুৱ প্ৰজন্মক অসমীয়া সাহিত্যৰ প্ৰতি অধিক আগ্ৰহী কৰি তোলাৰ মানসেৰে আৰু অসমৰ গাঁৱে-ভূঞে সুপ্ত হৈ থকা সাহিত্য ভাল পোৱা অথচ এখন উপযুক্ত ক্ষেত্ৰ আৰু সমলৰ অভাৱ অনুভৱ কৰা প্ৰতিগৰাকী নৱপ্ৰজন্মক অসম সাহিত্য সভাৰ জৰিয়তে এখন উপযুক্ত ক্ষেত্ৰ প্ৰদান কৰিবলৈ কৰা এই অনন্য পদক্ষেপৰ প্ৰথমখন আলোচনাচক্ৰৰ শুভাৰম্ভণি কৰে অসম সাহিত্য সভাৰ সভাপতি ড° কুল শইকীয়াই। অসম সাহিত্য সভাৰ গুৱালকুছি অধিৱেশনত সভাপতিৰ অভিভাষণত উল্লেখ কৰা 'যুৱপ্ৰজন্মৰ অৱদানে সভালৈ আনি দিব অধিক গতিশীলতা'ৰ লগত সংগতি ৰাখি অনুষ্ঠিত আলোচনাচক্ৰৰ আৰম্ভণি বক্তব্যত নৱ প্ৰজন্মক সাহিত্য সভাৰ লগত সকলো প্ৰকাৰে জড়িত কৰাৰ কথা উল্লেখ কৰি সভাপতিগৰাকীয়ে সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ অসম সাহিত্য সভাৰ বিভিন্ন পৰিকল্পনা আৰু সমাপন কৰা কাৰ্যসূচী সম্পৰ্কেও অৱগত কৰে। বিষয়বস্তুৰ সন্দৰ্ভত নিৰ্দিষ্ট বক্তা ৰূপে সাহিত্যিক-সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীয়ে বিশ্ব বা সৰ্বভাৰতীয় প্ৰেক্ষাপটত অসমীয়া সাহিত্যক আগুৱাই নিবলৈ আমাৰ সাহিত্যিক মানদণ্ডৰ বিকাশ সাধন কৰিব লাগিব বুলি কয়। সাহিত্য অকাডেমী বঁটাৰে সন্মানিত সাহিত্যিক, সুচিকিৎসক ডাঃ অপূৰ্ব কুমাৰ শইকীয়াই অসমীয়া গল্প আৰু কবিতা সৰ্বভাৰতীয় প্ৰেক্ষাপটত উচ্চ পৰ্যায়ৰ নহ'লেও সমপৰ্যায়ৰ বুলি অভিব্যক্তি প্ৰকাশ কৰে। অসমৰ পাঁচগৰাকী চিন্তাশীল যুৱকণ্ঠ কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ ত্ৰিদিব ভাগৱতী, তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ লুইত কিৰণ দাস, দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ উৰ্ম্মিলন কলিতা, কাকজান মহাবিদ্যালয়ৰ ছাত্ৰ নিৰুৎপল বৰুৱা আৰু দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ গুঞ্জন দাসে পাঠক সৃষ্টিত গুৰুত্ব দিয়া, অৰ্থনীতি, ৰাজনীতি আদি যে সাহিত্যৰ পৰা পৃথক কৰিব নোৱাৰি, অসমীয়া সাহিত্য সৰ্বভাৰতীয় প্ৰতিযোগিতাত ফেৰ মৰা আদিৰ বিষয়ে নিজস্ব মতামত আগবঢ়ায়। শতাধিক অংশগ্ৰহণকাৰীয়ে অংশ গ্ৰহণ কৰা আলোচনাচক্ৰত প্ৰশ্নোত্তৰ শিতানত অংশগ্ৰহণ কৰি শিক্ষয়িত্ৰী গীতিমণি গোস্বামী বৰঠাকুৰ, যোৰহাটৰ ক্ৰেছেণ্ট একাডেমীৰ ছাত্ৰী প্ৰয়াসী বৰা, মৰাণ মহাবিদ্যালয়ৰ প্ৰৱাল কলিতা প্ৰমুখ্যে বিভিন্নজনে মত বিনিময় কৰে। অসম সাহিত্য সভাৰ সভাপতি, বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰী, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা,অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য থানেশ্বৰ মালাকাৰে প্ৰশ্নসমূহৰ উত্তৰ প্ৰদান কৰে। অসমৰ বিশ্ববিদ্যালয়সমূহৰ পৰা প্ৰকাশ নোহোৱাকৈ থকা গৱেষণাপত্ৰসমূহ কিতাপ আকাৰে প্ৰকাশ কৰাৰ পৰিকল্পনা, লিপি ক্ৰমবিৱৰ্তনৰ সম্পৰ্কে ইতিমধ্যে এখন গ্ৰন্থ প্ৰকাশ হোৱা, অসমীয়া আপুৰুগীয়া আলোচনীসমূহ সহজে উপলব্ধ কৰাৰ পৰিকল্পনা আৰু অসমীয়া নৱপ্ৰজন্মক অসমৰ সম্পদসমূহৰ লগত চিনাকি কৰিবলৈ 'অসম প্ৰজ্ঞা'ৰ দৰে আঁচনি হাতত লোৱা বুলি সভাপতি কুল শইকীয়াই প্ৰশ্নৰ উত্তৰত অৱগত কৰে। আলোচনাচক্ৰখনৰ প্ৰস্তাৱক আৰু পৰিচালনাৰ মুখ্য আহ্বায়ক ঋৰিকন্যা বি দাস, আহ্বায়কত্ৰয় নৱনীতা ভূঞা, ধ্ৰুৱজ্যোতি বৰগোহাঞি, ৰাজকমল শইকীয়াই সকলোলৈকে ধন্যবাদ-কৃতজ্ঞতা জ্ঞাপন কৰে।